**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 23-08-2025 **Time :** 0900Hrs.

***Assamese Morning Bulletin***

**Headlines**

১। জি এম চি এইচত নৱজাতকৰ মৃত্যুৰ ঘটনাৰ তদন্ত সমিতিৰ প্ৰতিবেদন আজিৰ ভিতৰত দাখিলৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ। ডাঃ দেৱজিৎ চৌধুৰীক নতুন অধীক্ষকৰ দায়িত্ব।

২। উৰিয়ামঘাটৰ উচ্ছেদিত অঞ্চলত নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী আৰু অসমৰ বনমন্ত্ৰীৰ উপস্থিতিত আজি বনানীকৰণ কাৰ্যসূচী।

৩। অসমৰ সৈতে থকা বিবদমান অঞ্চলসমূহত স্থিতাৱস্থা বাহাল ৰখাৰ বাবে দুই ৰাজ্য সন্মত হৈছে বুলি মিজোৰামৰ মুখ্যমন্ত্ৰী লালদুহোমাৰ প্ৰকাশ।

৪। দীপৰ বিলৰ বন্যপ্ৰাণী অহা-যোৱা পথত কোনো বাধা আহিব নোৱাৰিব বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনা।

*আৰু*

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব, নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি।

০০০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নৱজাতকৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ প্ৰতিবেদন আজিৰ ভিতৰত দাখিল কৰিবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নিৰ্দেশ দিছে। কালি নলবাৰীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে বিষয়টো সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয়, যে জি এম চি এইচৰ অধ্যক্ষক বদলি কৰাৰ বাবে বিভিন্ন পক্ষই দাবী জনাই আহিছে যদিও কোনো কাৰণতে অধ্যক্ষ সলনি কৰা নহয়। তদন্ত সমিতিৰ প্ৰতিবেদন দাখিলৰ পাছতে বিষয়টো সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছে। জি এম চি এইচৰ দৰে এখন ডাঙৰ চিকিৎসালয়ত কেতিয়াবা এনে ধৰণৰ ঘটনা হোৱাটো কোনো ডাঙৰ কথা নহয় বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। অৱশ্যে নৱজাতকৰ মৃত্যুৰ ঘটনাত নাৰ্ছৰ অৱহেলা থকা বুলি তেওঁ স্পষ্টকৈ কয়। সন্তানৰ মৃত্যুৰ বেদনা মাতৃতকৈ কোনে ভালদৰে বুজিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এগৰাকী নাৰ্ছৰ অৱহেলাৰ বাবে আনসকলে আন্দোলন কৰিব লগা নাই বুলিও কয়।

বাইট

ইপিনে, ৰাজ্য চৰকাৰে কালি এটা নিৰ্দেশনা যোগে ডাঃ অভিজিৎ শৰ্মাক জি এম চি এইচৰ অধীক্ষকৰ দায়িত্বৰ পৰা অব্যাহতি দিয়াৰ লগতে দেৱজিৎ চৌধুৰীক নতুন অধীক্ষকৰ দায়িত্ব দিছে।

০০০০০০০

উৰিয়ামঘাটত প্ৰশাসন আৰু বন বিভাগে উচ্ছেদ অভিযান চলোৱাৰ পাছত উচ্ছেদিত অঞ্চলসমূহত নাগালেণ্ড চৰকাৰ আৰু অসম চৰকাৰৰ যৌথ প্ৰচেষ্টাত বনানীকৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। আজি দুয়োখন

চৰকাৰৰ প্ৰতিনিধিৰ উপস্থিতিত উচ্ছেদিত অঞ্চলসমূহত গছপুলি ৰোপণ কৰা হ’ব। এই কাৰ্যসূচীত অসম চৰকাৰৰ হৈ বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী ৱাই পেটনকে ধৰি স্থানীয় বিধায়ক আৰু বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰিব। সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনে কালি এখন সংবাদমেল যোগে এই কথা প্ৰকাশ কৰাৰ লগতে উচ্ছেদিত অঞ্চলত সৃষ্টি হোৱা শেহতীয়া পৰিস্থিতি সন্দৰ্ভতো বিভিন্ন মত আগবঢ়াইছে। স্থানীয় বিধায়কগৰাকীয়ে সৰু পথাৰত শেহতীয়াকৈ সৃষ্টি হোৱা অপ্ৰীতিকৰ পৰিস্থিতিত তৃতীয় পক্ষ জড়িত থকাৰো অভিযোগ কৰিছে। বিধায়কগৰাকীয়ে কালি সংবাদমেলত প্ৰকাশ কৰা তথ্য সন্দৰ্ভত আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে জনাইছে –

বাইট

ইপিনে, উচ্চতম ন্যায়ালয়ে উৰিয়ামঘাটৰ উচ্ছেদ অভিযানত স্থগিতাদেশ জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে ৭৩ টা পৰিয়ালে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ পি নৰসিমহা আৰু অতুল চন্দ্ৰকাৰৰ বিচাৰপীঠে পৰৱৰ্তী শুনানি পৰ্যন্ত এই স্থগিতাদেশ জাৰি কৰে। উচ্চতম ন্যায়ালয়ে এই সন্দৰ্ভত অসম চৰকাৰ আৰু গোলাঘাট জিলা প্ৰশাসনলৈ জাননী জাৰি কৰিছে। উল্লেখযোগ্য যে যোৱা ২৯ জুলাইৰ পৰা উৰিয়ামঘাটত প্ৰশাসন আৰু বন বিভাগে চলোৱা উচ্ছেদ অভিযানত প্ৰায় ১৩ হাজাৰ বিঘা বনাঞ্চল দখলমুক্ত কৰা হৈছে। ৰেংমা বনাঞ্চলৰ উপৰি ৰাজ্য চৰকাৰে উৰিয়ামঘাটৰ আশে-পাশে আন একাংশ অঞ্চলতো উচ্ছেদ চলোৱাৰ বাবে প্ৰস্তুতি চলাইছে।

একেদৰে, ডিব্ৰুগড় জিলা প্ৰশাসনে কালি পল্টন বজাৰৰ মুখ্যমন্ত্ৰী সচিবালয়ৰ সমীপৰ চৰকাৰী মাটিত অবৈধভাৱে বাস কৰা বহু লোকক উচ্ছেদ কৰে।

নগাঁও জিলা প্ৰশাসনেও ধিং ৰাজহ চক্ৰৰ অধীনৰ ডাগৰ আৰু আলিটাঙনি মৌজাৰ জেঙনি তিনিআলিত উচ্ছেদৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ধিং ৰাজহ চক্ৰ বিষয়াই যোৱা ৫ আৰু ৮ জুলাইত দখলীকৃত ভূমি খালী কৰিবলৈ অঞ্চল দুটাৰ জনসাধাৰণলৈ জাননী প্ৰেৰণ কৰিছিল। অহা ২৭ আগষ্টত এই অঞ্চলকেইটাত উচ্ছেদ অভিযান চলোৱা হ’ব।

বিশ্বনাথ জিলা প্ৰশাসনেও নিজ বাঘমাৰীৰ নামাপাৰা, প’লকটা আদি অঞ্চলৰ ৪৩৩ টা পৰিয়ালৈ উচ্ছেদৰ জাননী জাৰি কৰিছে। প্ৰশাসনে বাঘমাৰী মণ্ডলৰ জৰিয়তে পৰিয়ালকেইটালৈ জাননী প্ৰেৰণ কৰি ১৫ দিনৰ ভিতৰত চৰকাৰী ভূমি ত্যাগ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০

অসম আৰু মিজোৰামৰ সীমামূৰীয়া বিবদমান অঞ্চলসমূহত শেহতীয়াকৈ সৃষ্টি হোৱা উত্তেজনাৰ প্ৰতি লক্ষ্য ৰাখি দুয়োখন ৰাজ্যই সীমা অঞ্চলত স্থিতাৱস্থা বাহাল ৰখাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। মিজোৰামৰ মুখ্যমন্ত্ৰী লালদুহোমাই কালি আইজলত অনুষ্ঠিত মিজোৰাম পুলিচ ছাৰ্ভিচ এছ’চিয়েচনৰ এখন সমাৰোহত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে দুয়োখন ৰাজ্যৰ সীমা অঞ্চলত শেহতীয়াকৈ সৃষ্টি হোৱা অপ্ৰীতিকৰ পৰিস্থিতি সন্দৰ্ভত তেওঁলোকে ইতিমধ্যে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনা কৰিছে। এই আলোচনামৰ্মে অসম আৰু মিজোৰামৰ সীমা অঞ্চলৰ বিবদমান এলেকাত দুয়োখন ৰাজ্যই স্থিতাৱস্থা বাহাল ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইতিমধ্যে সীমা অঞ্চলত সৃষ্টি হোৱা অপ্ৰীতিকৰ পৰিস্থিতি সন্দৰ্ভত মিজোৰামৰ মামিট জিলাৰ উপায়ুক্ত, আৰক্ষীৰ মুৰব্বীৰ সৈতে হাইলাকান্দি জিলাৰ আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক যোৱা সোমবাৰে এখন বৈঠকত মিলিত হৈছিল।

০০০০০০০

ৰাজ্যৰ একমাত্ৰ ৰামচাৰ ক্ষেত্ৰ দীপৰ বিলৰ প্ৰদূষণ আৰু দখল সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে উদ্বেগ প্ৰকাশ কৰিছে। বিষয়টো সন্দৰ্ভত স্থানীয় এগৰাকী ব্যক্তিয়ে দাখিল কৰা এখন ৰাজহুৱা আবেদনৰ শুনানি গ্ৰহণ কৰি কালি ন্যায়ালয়ে ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ নেতৃত্বাধীন খণ্ড বিচাৰপীঠে দীপৰ বিলৰ মাজেৰে লোকনিৰ্মাণ বিভাগে নিৰ্মাণ কৰা পথ আৰু দ্বৈত ৰে'লপথে অঞ্চলটোৰ বন্যপ্ৰাণী আৰু পক্ষীকুলৰ ক্ষতি কৰা বিষয়ত উদ্বেগ প্ৰকাশ কৰি বন্যপ্ৰাণী অহা-যোৱা পথত কোনো বাধা আহিব নোৱাৰিব বুলি স্পষ্ট কৰি দিছে। তদুপৰি এই সন্দৰ্ভত ৰে'লৱেক বিতং শপতনামা দাখিল কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশ দিছে। উল্লেখযোগ্য যে ন্যায়ালয়ৰ পূৰ্বৰ শুনানিত দীপৰ বিলৰ অন্তৰ্গত ধাৰাপুৰত লোকনিৰ্মাণ বিভাগে এটা পথ নিৰ্মাণ কৰাৰ প্ৰসংগ উত্থাপিত হৈছিল। এই পথছোৱা উঠাই দিয়া হৈছে  বুলি কালি চৰকাৰী পক্ষৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই আদালতক অৱগত কৰে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্‌জত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০  দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী**  ফ'ল' কৰিব পাৰে।

০০০০০০০

দুদিনীয়া ভ্ৰমণ কাৰ্যসূচীৰে আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য শিলচৰলৈ যাব। তেওঁ বৰাক উপত্যকাৰ গুৰুত্বপূৰ্ণ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে দুখন প্ৰতিষ্ঠান পৰিদৰ্শন কৰিব। বিয়লি চাৰে ৩ বজাত কাছাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মিলন কক্ষত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত ৰাজ্যপালগৰাকীয়ে অংশ ল'ব। কাইলৈ পুৱা চাৰে ৯ বজাত ৰাজ্যপালগৰাকীয়ে ৰামকৃষ্ণ মিছন পৰিদৰ্শন কৰাৰ লগতে ৰেডক্ৰছ শিশু চিকিৎসালয়ো পৰিদৰ্শন কৰিব। ভ্ৰমণ কাৰ্যসূচী সামৰি ৰাজ্যপালগৰাকীয়ে কাইলৈ বিয়লিলৈ গুৱাহাটীলৈ উভতি আহিব বুলি আমাৰ শিলচৰৰ সংবাদদাতাই জানিবলৈ দিয়ে।

০০০০০০০

সমাগত অক্টোবৰ মাহত ৰাজ্যৰ ১০ খন জিলাত আৰু নৱেম্বৰ মাহৰপৰা ৰাজ্যজুৰি খাদ্য সুৰক্ষা আইনৰ অধীনত হিতাধিকাৰীসকলক বজাৰ মূল্যতকৈ কম মূল্যত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী যোগান ধৰা হ'ব। অসম কেবিনেটত গ্ৰহণ কৰা এই সিদ্ধান্ত মৰ্মে হিতাধিকাৰীসকলে প্ৰতিখন ৰেচন কাৰ্ডৰ বিপৰীতে ১ কিঃগ্ৰাঃ মচুৰ দাইল, ১ কিঃগ্ৰাঃ চেনী আৰু নিমখ লাভ কৰিব। কালি এই সন্দৰ্ভত ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ সুলভ মূল্যৰ দোকানী আৰু গাওঁ পঞ্চায়ত সমবায় সমিতিৰ প্ৰতিনিধিৰ সৈতে এখন

বৈঠক অনুষ্ঠিত হয়। বৈঠকত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত চুলতানা আখতাৰা আহমেদ, ডিব্ৰুগড় জিলা খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ভাৰপ্ৰাপ্ত উপ সঞ্চালক অনন্যা চৌধুৰী প্ৰমুখ্যে বিভিন্ন বিভাগৰ বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০০০০

বিধানমণ্ডল, কাৰ্য্যপালিকা আৰু ন্যায়পালিকাৰ পাছতেই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে সংবাদ মাধ্যমে স্থান লাভ কৰি আহিছে। পৰিৱৰ্তিত সময়ত সংবাদ মাধ্যমে সৰ্বসাধাৰণ জনতাৰ আস্থা অটুট ৰাখিব পাৰিছেনে ? বা এই চতুৰ্থ স্তম্ভৰ সৈতে পঞ্চম স্তম্ভৰো প্ৰয়োজন আহি পৰিছে নেকি ?

এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত লগ পাব দ্যা হিন্দু কাকতৰ উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাক্তন ব্যুৰো ছীফ সুশান্ত তালুকদাৰ, স্তম্ভলেখক শংকৰ শইকীয়া, জ্যেষ্ঠ সাংবাদিক মনোৰম গগৈ আৰু তেজপুৰৰ মহাজাতি আৰু অগ্নিগড় কাকতৰ প্ৰাক্তন সহযোগী সম্পাদক অঞ্জন গোস্বামীয়ে।

এই অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন আজি কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব আৰু যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মাজত আৰম্ভ হ'ব।

উল্লেখযোগ্য যে ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে যোৱা বুধবাৰে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ১৬ বাৰৰ চেম্পিয়ন ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে যোৱা মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০

৬৪ সংখ্যক সুব্ৰত কাপ আন্তৰ্জাতিক ফুটবল প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰা গুৱাহাটীৰ বেতকুছি হাইস্কুলৰ ছোৱালী দলে শ্ৰীলংকাৰ ছোৱালী দলক ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অসমৰ হৈ মিৰি মেছে ৩ টা গ'ল দি হেট্ৰিক অৰ্জন কৰাৰ লগতে মুছকান দৰ্জী আৰু ডিভিয়া তাঁতীয়ে এটাকৈ গ'ল দিয়ে। আনহাতে শ্ৰীলংকাৰ দলে এটা আত্মঘাটি গ'ল খায়। কাইলৈ কোৱাৰ্টাৰ ফাইনেল খেলখনত অসমৰ দলটো - গোৱাৰ সন্মুখীন হ'ব।

০০০০০০০

তিনিচুকীয়া জিলাৰ চাইডিং বজাৰত এচাম বহিৰাগত ব্যক্তিয়ে তিনিচুকীয়া সদৰ থানাৰ অ চি পৰাগজ্যোতি বুঢ়াগোহাইক আক্ৰমণ কৰাক কন্দ্ৰ কৰি ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যসভাৰ বৰ্ষাকালীন অধিবেশনত কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী শোভা কাৰান্দালাজৰ এটা লিখিত উত্তৰত প্ৰকাশ পাইছে যে, ব্যক্তিগত খণ্ডৰ ৪৯ লাখ ১৫ হাজাৰ ৪১৬ গৰাকী

অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক কৰ্মচাৰী প্ৰভিডেন্ট ফাণ্ড সংগঠনে এহেজাৰ ৫০০ টকাতকৈও কম পেঞ্চন প্ৰদান কৰে। এয়া দৈনিক অসম কাকতৰ মুখ্য বাতৰি।

অনলাইন গেমে সমাজত পেলোৱা কু প্ৰভাৱ প্ৰতিৰোধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সংসদত গৃহীত কৰা বিধেয়কখনত ৰাষ্ট্ৰপতিয়ে অনুমোদন জনোৱাৰ বাতৰি আমাৰ অসম কাকতে শীৰ্ষস্থান দিছে।

বিহাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনুপ্ৰৱেশকাৰীয়ে সৃষ্টি কৰা সমস্যা-প্ৰত্যাহ্বানক লৈ উদ্বিগ্নতা প্ৰকাশ কৰাৰ বাতৰি অনুপ্ৰৱেশেই দেশৰ প্ৰতি চৰম ভাবুকি শিৰোনামেৰে অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে।

এজন প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী বা মন্ত্ৰী যদি একেৰাহে ৩০ দিন ন্যায়িক জিম্মাত থাকে তেন্তে তেওঁলোকক পদৰ পৰা স্বয়ংক্ৰিয়ভাৱে অপসাৰণৰ প্ৰস্তাৱ ৰখা তিনিখন বিধেয়কৰ বিৰোধিতা কৰা কংগ্ৰেছ. তৃণমূল কংগ্ৰেছ তথা আন বিৰোধী দলবোৰক উদ্দেশি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ৫০ ঘন্টা কাৰাগাৰত থকা চাকৰিয়ালৰ যদি চাকৰি যায়, প্ৰধাননন্ত্ৰী-মুখ্যমন্ত্ৰীৰ নাযাব কিয়। এয়া দ্য টাইমছ অব ইণ্ডিয়া কাকতৰ বাতৰি।

দ্য ছেন্টিনেল কাকতে এন আৰ চি পুনৰীক্ষণৰ বাবে দাখিল কৰা লেখ আবেদনৰ বিপৰীতে শুনানি গ্ৰহণ কৰিবলৈ উচ্চতম ন্যায়ালয়ে সন্মতি প্ৰকাশ কৰাৰ বাতৰি প্ৰকাশ কৰিছে।একেটা বাতৰিকে দি আছাম ট্ৰিবিউন কাকতেও গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সমাগত বিটিচি নিৰ্বাচনৰ বাবে দুগৰাকী বিধায়ক আৰু প্ৰাক্তন মন্ত্ৰীৰে ইউ পি পি এলৰ ১৮ জনীয়া তালিকা প্ৰকাশ কৰাৰ বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

বিশ্ব প্ৰসিদ্ধ ক্ৰিকেট বাৰ্তালোচনী উইজডেনে প্ৰকাশ কৰা চলিত মাহৰ বিশ্বৰ ৪০ গৰাকী শ্ৰেষ্ঠ উদীয়মান খেলুৱৈৰ তালিকাত অসম সন্তান ৰিয়ান পৰাগে স্থান লাভ কৰিছে। আলোকচিত্ৰসহ দৈনিক জনমভুমি কাকতে এই বাতৰি প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা কাকতে নলবাৰীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মহিলা উদ্যমিতা অভিযানৰ শুভাৰম্ভ কৰাৰ বাতৰি প্ৰথম পৃষ্ঠাত আলোক চিত্ৰ সহ গুৰুত্ব দিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে। নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**